জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৬৮১/২০২০

# ডিব্ৰুগড়ত এ এম চি এইচ সংযোগী পথৰ শুভ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ১২ অক্টোবৰ ঃ** ডিব্ৰুগড়ত নগৰ আন্তঃগাঁথনি উন্নয়ন পুঁজিৰ ৪.৪২ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মিত অসম চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় সংযোগী পথৰ আজি শুভ উদ্বোধন কৰে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে। উল্লেখ্য যে ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী এই নতুনকৈ উন্নীত আৰু বহল কৰা ১.৬২৬ কিঃমিঃ দৈৰ্ঘ্যৰ অসম চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় সংযোগী পথৰ শুভ উদ্বোধন কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ১৮০ বছৰীয়া ঐতিহ্যপূৰ্ণ ডিব্ৰুগড় নগৰৰ পথ যোগাযোগ ব্যৱস্থা উন্নীকৰণৰ দিশত ই এক অন্যতম গুৰুত্বপূৰ্ণ সংযোজন বুলি মন্তব্য কৰে। মুখ্যমন্ত্ৰী সোণোৱালে এ এম চি এইচ সংযোগী পথছোৱাৰ উদ্বোধনে দূৰদূৰণিৰ পৰা অসম চিকিৎসা মহাবিদ্যালয়লৈ অহা ৰোগীসকলক বহুখিনি সকাহ প্ৰদান কৰিব বুলি কয় ।

এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৱল নেতত্বত ২০১৬ চনৰ পৰাই ৰাজ্য চৰকাৰে ৰাজ্যখনত পথ যোগাযোগ ব্যৱস্থাৰ উন্নয়নৰ অবিৰত ধাৰা অব্যাহত ৰাখিছে। যাতায়ত আৰু যোগাযোগ ব্যৱস্থা সৰল কৰাৰ দিশত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লোৱা গুৰুত্বপূৰ্ণ ভূমিকাৰ বাবেই প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অধীনত ৰাজ্যখনত ১৫ হাজাৰ কিঃমিঃ দৈৰ্ঘ্যৰ পথৰ নিৰ্মাণকাৰ্য সম্ভৱ হৈছে। তদুপৰি, ৰাজ্য চৰকাৰে ১০০০ খন কাঠৰ দলং পকী কৰাৰ দিশতো উল্লেখযোগ্য পদক্ষেপ গ্ৰহণ কৰিছে। একেদৰে পূৰ্বৰ চৰকাৰসমূহে কেতিয়াও উপলব্ধি নকৰা ৰাজ্যখনৰ চাহ বাগানৰ লাইনসমূহ উন্নীত কৰাৰ দিশতো এই চৰকাৰে পদক্ষেপ গ্ৰহণ কৰি এতিয়ালৈকে ৰাজ্যখনৰ ৮০০ খন চাহ বাগানৰ পথ পেভাৰছ ব্লক পথলৈ উন্নীত কৰিছে। পথ যোগাযোগ ব্যৱস্থাৰ উন্নয়নেই অৰ্থনৈতিক বুনিয়াদ শক্তিশালী কৰাৰ দিশত অন্যতম অৰিহণা যোগায় বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে এই দিশত প্ৰধানমন্ত্ৰী মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে সদায়ে গুৰুত্ব আৰোপ কৰি আহিছে বুলি কয়। তেখেতৰ কাৰ্যকালতে ৰাজ্যখনত ব্ৰহ্মপুত্ৰৰ ওপৰত ৩ খনকৈ নতুন দলং মুকলি কৰা হৈছে আৰু ব্ৰহ্মপুত্ৰৰ ওপৰত আন ৫ খন দলঙৰ কাম হাতত লোৱা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰী সোণোৱালে পূৰ্বৰ চৰকাৰৰ কাৰ্যকালত সম্ভৱ নোহোৱা পথ যোগাযোগ ব্যৱস্থাৰ এই উন্নয়ন প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসমবাসীৰ প্ৰতি থকা আন্তৰিকতাৰ বাবেহে সম্ভৱ হৈছে বুলিও কয়।

স্থানীয় বিধায়ক প্ৰশান্ত ফুকনে আজিৰ সভাত বক্তব্য ৰাখি এই পথছোৱাৰ উদ্বোধনে তিনিচুকীয়া দিশৰ পৰা এ এম চি এইচলৈ অহা ৰোগীসকলৰ বাবে এক ডাঙৰ সকাহ হ'ব বুলি উল্লেখ কৰে। ইয়ে গ্ৰেহেম বজাৰৰ পৰা এ এম চি এইচ পৰ্যন্ত পথছোৱাত হোৱা যান-জঁট ৩৫ শতাংশ হ্ৰাস কৰিব বুলি তেওঁ কয়। বিধায়ক প্ৰশান্ত ফুকনে অতি সোনকালে এই পথছোৱাৰ ফেন্সিং, নলা, সৌৰশক্তি চালিত লাইটৰ ব্যৱস্থাৰ বাবেও কাম আৰম্ভ কৰা হ'ব বুলি ভাষণ প্ৰসংগত উল্লেখ কৰে।

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

কেন্দ্ৰীয় খাদ্য সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলীয়ে বক্তব্য ৰখা আজিৰ অনুষ্ঠানত বিধায়ক তেৰছ গোৱালা , ঋতুপৰ্ণ বৰুৱা, চক্ৰধৰ গগৈ, জিলা পৰিষদৰ সভানেত্ৰী ডেইজী ৰাণী ফুকন শ্যাম আৰু এই পথছোৱাৰ নিৰ্মাণত বহুখিনি সহযোগিতা আগবঢ়োৱা জালান চাহ বাগানৰ স্বত্বাধিকাৰী মনোজ জালানো উপস্থিত থাকে।

উল্লেখ্য যে ডিব্ৰুগড় লোক নিৰ্মাণ বিভাগ, লাহোৱাল, মৰাণ আৰু টিংখং ক্ষেত্ৰীয় পথ সংমণ্ডলৰ তত্বাৱধানত নিৰ্মিত এই পথছোৱাই গ্ৰেহেম বজাৰ (৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ) ৰ পৰা এ এম চি এইচৰ দূৰত্ব পূৰ্বতকৈ ৩.৫০ কিঃমিঃ হ্ৰাস কৰিব।

**সুঃমিঃকঃ / বঃভাঃ**
**১২/১০/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in